**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 10-01-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## ***Headlines***

১। অহা ১৭ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দুদিনীয়া ভ্ৰমণসূচীৰে অসম ভ্ৰমণ।

২। এ ডি আৰ ই ত উৰ্ত্তীৰ্ণ ৬ হাজাৰ ৩৪৭ গৰাকী তৃতীয় বৰ্গৰ প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ন্যায়িক প্ৰক্ৰিয়াৰ বাবে বিশেষ চৰকাৰী অধিবক্তা নিযুক্তিকে ধৰি কেইবাটাও বিষয়ত ৰাজ্যিক মন্ত্ৰীসভাৰ সিদ্ধান্ত।

আৰু

৪। মাঘ বিহুৰ উৰুকালৈ মাজত মাথো দুটা দিন বাকীথকা অৱস্থাত ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৭ জানুৱাৰীত দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। ৰাজ্য চৰকাৰৰ মুখ্য সচিব ডঃ ৰবি কোটাই কালি এখন বৈঠকত প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে অহা ১৭ জানুৱাৰীৰ বিয়লি প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। প্ৰধানমন্ত্ৰীয়ে সেই দিনাই গুৱাহাটীত কামাখ্যা আৰু কলকাতাৰ মাজত চলিবলগীয়া বন্দে ভাৰত শ্লিপাৰ ৰে'লগাড়ীখনৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। ৰে'লখন কালি কামাখ্যা ৰে'লৰে ষ্টেচন পাইছেহি। এই ৰে'লগাড়ী খন হৈছে দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লিপাৰ ৰে'ল। ১৬টা দবা বিশিষ্ট ৰে'লগাড়ীখনত ৮৩৩ গৰাকী যাত্ৰীয়ে যাত্ৰা কৰিব পাৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে ১৮ জানুৱাৰীত কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত অংশ ল'ব আৰু এই সভাতে কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ আৰু গুৱাহাটীৰ পৰা নতুন দিল্লীৰ ৰাউটালৈ চলিবলগীয়া দুখন ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব ।

ooooo

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা- এ ডি আৰ ই ত উত্তীৰ্ণ ৬ হাজাৰ ৩৪৭ গৰাকী তৃতীয় বৰ্গৰ প্ৰাৰ্থীক আজি সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কয়, যে আজিৰ নিযুক্তিৰ প্ৰক্ৰিয়াৰ লগে লগে এ ডি আৰ ইৰ দ্বিতীয় সংস্কৰণৰ নিযুক্তি প্ৰক্ৰিয়াৰ সামৰণি পৰিছে। পৰৱৰ্তী পৰ্যায়ত এ ডি আৰ ইৰ তৃতীয় সংস্কৰণত নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব বুলি তেওঁ ঘোষণা কৰে।

*-বাইট-*

পৰহিলৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। এই নিযুক্তি সম্পন্ন হ'লে নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীৰ সংখ্যা ১ লাখ ৫৬ হাজাৰ ৬৭৭ লৈ বৃদ্ধি পাব।

ইপিনে এ ডি আৰ ইত উত্তীৰ্ণ ৪ হাজাৰ ৩৭৪ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীৰ মাজত কালি নিযুক্তি পত্ৰ বিতৰণ কৰা হয়। গুৱাহাটীৰ খানাপাৰাৰ নৱনিৰ্মিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত সচিব এম এছ মণিৱন্নন, মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, ৰঞ্জিত কুমাৰ দাসকে ধৰি কেইবাগৰাকী মন্ত্ৰী উপস্থিত থাকে।

oooooooo

অসম মন্ত্ৰীসভাই জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ন্যায়িক প্ৰক্ৰিয়া সবল কৰাৰ বাবে বিশেষ চৰকাৰী অধিবক্তাৰ পাঁচজনীয়া এটা দল নিযুক্তিত অনুমোদন জনাইছে। দিছপুৰৰ লোকসেৱা ভৱনত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই অধিবক্তাৰ দলটোৱে জুবিন গাৰ্গৰ ন্যায়ৰ বাবে আদালতত যুঁজ দিব। মন্ত্ৰীসভাই লগতে অসমবাসীৰ প্ৰাণৰ শিল্পীগৰাকীৰ স্মৃতি সংৰক্ষণৰ বাবে পৰিয়াল আৰু শুভাকাংক্ষীয়ে গঠন কৰা জুবিন গাৰ্গ ন্যাসলৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ৫ কোটি টকাৰ বৰঙণি আগবঢ়োৱাত অনুমোদন জনায়।

মুখ্যমন্ত্ৰীগৰাকীয়ে সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত ৰাজ্যৰ চাহ জনগোষ্ঠীয় লোকসকলৰ বাবে 'এটি কলি, দুটি পাত' নামৰ বিশেষ আঁচনি গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। তেওঁ কয়, যে অসমৰ চাহ উদ্যোগৰ ২০০ বছৰ পূৰ্ণ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰহণ কৰা এই আঁচনিৰ অধীনত চাহ শ্ৰমিকসকলক ৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। অহা ২৫ জানুৱাৰীত ডুমডুমাত এই আঁচনিৰ শুভাৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

বাইট ..... চি এম

মন্ত্ৰীসভাই বড়ো সাহিত্য সভাক এটা বহুমুখী প্ৰকল্প নিৰ্মাণৰ বাবে গুৱাহাটীৰ বেতকুছিত এবিঘা ভূমি আবণ্টনত অনুমোদন জনায়। তদুপৰি মৰিগাঁও, ডিব্ৰুগড় আৰু কাছাৰকে ধৰি কেইবাখনো জিলাত মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত বহু পৰিমাণৰ ভূমিত আবণ্টন জনোৱা হয়।

ooooooo

মাঘ বিহুৰ উৰুকালৈ মাজত মাথোঁ দুটা দিন বাকী থকা অৱস্থাত ৰাজ্যৰ বিভিন্ন অংশত ব্যাপক প্ৰস্তুতি চলি আছে। জীয়ৰী-বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়নৰ বাবে পিঠা-পনা প্ৰস্তুত কৰাত ব্যস্ত হৈ পৰাৰ লগতে ডেকা-বুঢ়াকে ধৰি শিশুসকলেও বিভিন্ন আৰ্হিৰে আটকধুনীয়া মেজি আৰু ভেলাঘৰ নিৰ্মাণ কৰা পৰিলক্ষিত হৈছে। প্ৰায়বোৰ ঠাইতে ভোগালী মেলাৰো আয়োজন কৰা হৈছে। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আজিৰেপৰা ১২ জানুৱাৰীলৈ ভোগালী মেলাৰ আয়োজন কৰা হৈছে। এই মেলাত কৃষকসকলে জৈৱিকভাৱে উৎপাদন কৰা সামগ্ৰীৰ প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু গ্ৰামোন্নয়ন আৰু পঞ্চায়ত বিভাগৰ উদ্যোগত **ধুবুৰী**ৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেল পথাৰত যোৱা বৃহস্পতিবাৰৰ পৰা অসমী ভোগালী মেলা অনুষ্ঠিত হৈছে। এই মেলাত আত্ম সহায়ক গোটৰ

মহিলাসকলে প্ৰস্তুত কৰা খাদ্য সামগ্ৰীৰ লগতে হস্তশিল্প আৰু টেৰাকোটাৰ সামগ্ৰীৰ প্ৰদৰ্শনী আৰু বিক্ৰী কৰা হৈছে। ভোগালী মেলাৰ সৈতে সংগতি ৰাখি সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

মাজুলীৰ টুনী নদীৰ পাৰত অনুষ্ঠিত অসমী ভোগালী মেলাৰ কাইলৈ সামৰণি পৰিব।

দক্ষিণ শালমাৰা জিলাৰ হাটশিঙিমাৰিত অনুষ্ঠিত ভোগালী মেলাত জিলাখনৰ মুঠ ৪০ টা আত্মসহায়ক গোটে অংশগ্ৰহণ কৰিছে।

হোজাইৰ কাকীতো কালিৰে পৰা ৩ দিনীয়াকৈ ভোগালী মেলা অনুষ্ঠিত হৈছে। লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰই মেলাৰ উদ্বোধন কৰে।

মৰিগাওঁ জিলাৰ মৰিগাওঁ সদৰ বিহুতলীত কালি জিলা আয়ুক্তই ভোগালী মেলা উদ্বোধন কৰে। মেলা উদ্বোধন কৰি দিয়া ভাষণত জিলা আয়ুক্তগৰাকীয়ে মহিলাসকলে প্ৰস্তুত কৰা সামগ্ৰীসমূহক লৈ সন্তুষ্টি প্ৰকাশ কৰে।

0000000

মানাহ ৰাষ্ট্ৰীয় উদ্যানত বাঘৰ সংখ্যা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। আমাৰ বাক্সা জিলাৰ সংবাদদাতাই জনোৱা মতে ৰাষ্ট্ৰীয় উদ্যানখন পৰিভ্ৰমণ কৰিবলৈ অহা পৰ্যটকে প্ৰতিদিনে ঢেকীয়াপটীয়া বাঘৰ মুক্ত বিচৰণৰ দৃশ্য উপভোগ কৰিবলৈ সমৰ্থ হৈছে। শেহতীয়াকৈ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী ৰেঞ্জত তিনিটাকৈ ঢেকীয়াপটীয়া বাঘৰ মুক্ত বিচৰণ প্ৰত্যক্ষ কৰি পৰ্যটকসকল আপ্লুত হৈ পৰে আমাৰ সংবাদদাতাই জনাইছে।

00000

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাতত আজি নিশা ৮ বাজি ২ মিনিটত 'মহিলা সৱলীকৰণৰ অৰ্থে গ্ৰহণ কৰা ৰাজ্য চৰকাৰৰ আঁচনিসমূহত আলোকপাত' শীৰ্ষক এটি বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ কমল কুমাৰ মেধিয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী পাৰবিন হুছেইন।

00000000

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি  ৫ মিনিটত গোলাঘাট জিলাত ক্ৰীড়া পৰিবেশ সন্দৰ্ভত জিলা কৃষি বিষয়া বিমল চন্দ্ৰ গগৈৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ গোলাঘাট জিলাৰ সংবাদদাতা হিৰণ্য গগৈয়ে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

0000000

চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৰৰ থেংফাখ্ৰী ফৌথাৰত তিনিদিনীয়াকৈ অনুষ্ঠিত বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় অধিৱেশনৰ আজি বড়ো সাবিহ্য সভাৰ সভাপতি ডঃ সুৰথ নাৰ্জাৰীয়ে পতাকা উত্তোলন কৰাৰ পাছত দ্বিতীয় দিনাৰ কাৰ্যসূচী আৰম্ভ হয়। বড়ো সাবিতা সভাত আজি স্মৃতিগ্ৰন্থ উন্মোচন আৰু বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ।

কাইলৈৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

00000000

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱৰ তৃতীয় সংস্কৰণ অহা ১৮ৰ পৰা ২১ ফেব্ৰুৱাৰীলৈকে অনুষ্ঠিত হ'ব। বিশ্বৰ ২৫ খন দেশৰ ১৫০ জনতকৈও অধিক জনপ্ৰিয় লেখক, কবি, চিন্তাবিদে এই মহোৎসৱত অংশগ্ৰহণ কৰিব। বিশ্ববিদ্যালয়খনৰ ফাউণ্ডেচন ফৰ কালচাৰ, আৰ্টছ্ এণ্ড লিটাৰেচাৰৰ সহযোগত হ'বলগীয়া এই মহোৎসৱত এন মৰ্গান, আব্দুৰহমান ৱাবেৰী, কিউং-ছুক শ্বিন, য়েছে দৰ্জি থংছি, গিডিয়ান হাইগ, মাই খালেদকে ধৰি বিশ্বৰ প্ৰখ্যাত সাহিত্যিক সকলে অংশগ্ৰহণ কৰিব। কবিতা, বিশ্বৰ কল্পকাহিনী, চলচ্চিত্ৰ আৰু ক্ৰীড়াক মূল বিষয়বস্তু হিচাপে লৈ এইবাৰৰ মহোৎসৱ অনুষ্ঠিত হ'ব। অনুষ্ঠানত মত বিনিময়, কৰ্মশালা আৰু বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব বুলি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

00000000

জাগীৰোডৰ জোনবিলৰ পাৰত অহা ২২ৰ পৰা ২৪ জানুৱাৰীলৈ  তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হ'ব। মেলা সমিতিয়ে ইতিমধ্যে ইয়াৰ বাবে প্ৰস্তুতি চলাইছে। প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যাব। ২২ তাৰিখৰ পুৱা পতাকা উত্তোলন আৰু মাংগলিক অনুষ্ঠানৰ লগতে তিৱা জাতীয় জীৱনৰ সৈতে জড়িত গৃহ মুকলি কৰা হ'ব। সেইদিনাই পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিব। ২৩ জানুৱাৰীৰ  কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হ'ব। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব অনুষ্ঠিত হ'ব। কাৰ্যসূচীৰ অংশ হিচাপে মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ৰাজভাট্টা প্ৰদান কৰিব। ইয়াৰ লগতে বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব।

00000000

ৰাজ্য চৰকাৰে বিধানসভা নিৰ্বাচনৰ পূৰ্বেই ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰতিবেদন দিল্লীলৈ প্ৰেৰণ কৰিব। ভৈয়াম জনজাতিৰ কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সাংবাদিকৰ আগত কালি এই কথা প্ৰকাশ কৰি কয়, যে এই প্ৰতিবেদনৰ কোনো সংশোধন নহয়। ইয়াৰ পৰিৱৰ্তে প্ৰতিবেদনখনত থকা দুই-এটা আসোঁৱাহ শুদ্ধ কৰি আৰু কেন্দ্ৰীয় চৰকাৰে বিচৰা তিনিটা বিষয় স্পষ্ট কৰি প্ৰতিবেদনখন প্ৰেৰণ কৰা হ'ব। ডাঃ পেগুৱে কয়, যে বৰ্তমানৰ জনজাতিসকলৰ ক্ষতি নোহোৱাকৈ ছটা জনগোষ্ঠীক কিদৰে জনজাতিকৰণ কৰা হ'ব, সংৰক্ষণৰ ব্যৱস্থা কেনেকুৱা হ'ব আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ তালিকাৰ পৰা ছটা জনগোষ্ঠী ওলাই যোৱাৰ পাছত বাকী থকা জনগোষ্ঠীসমূহৰ সংৰক্ষণ কিমান শতাংশ হ'ব, সেই বিষয়ত কেন্দ্ৰীয় চৰকাৰে স্পষ্টতা বিচাৰিছে। প্ৰতিবেদনখনত মটক জনগোষ্ঠী সন্দৰ্ভত থকা এটা তথ্যগত ভুল শুধৰণিৰ বাবে আবেদন জনোৱা হৈছিল আৰু সম্প্ৰতি ইয়াৰ শুধৰণি কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

0000000

0000000

**সমাপ্ত**